**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-07-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

ৰাজ্য চৰকাৰে খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাসমূহৰ কৃষকসকলক ক্ষতিপূৰণ প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৰাজ্যত খৰাংসদৃশ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ৰাজ্যিক দুৰ্যোগ বুলি বিবেচনা কৰি মন্ত্ৰীসভাই অসম দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নীতি অনুসৰি নিৰ্ধাৰিত জিলাসমূহৰ কৃষকসকলক ক্ষতিপূৰণৰ সুবিধা প্ৰদানত অনুমোদন জনায়। খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাকেইখন হৈছে—- ডিব্ৰুগড়, তিনিচুকীয়া, বঙাইগাঁও, ধুবুৰী, বৰপেটা, বাক্সা আৰু চিৰাং। এই জিলাকেইখনত ৪০ শতাংশ কম বৰষুণ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

অসম মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৩৫৭ কোটি টকা ব্যয় সাপেক্ষে অধ্যাপকৰ আবাসগৃহ আৰু ছাত্ৰাবাস নিৰ্মাণৰ প্ৰকল্পত অনুমোদন জনায়। ৮৫ হাজাৰ ৫০৯ বৰ্গ মিটাৰ এলেকাজুৰি নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ জৰিয়তে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অতিৰিক্ত সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। বৈঠকত মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্য চৰকাৰৰ ৪ হাজাৰতকৈও অধিক আন্তঃগাঁথনিমূলক প্ৰকল্পৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনোৱা হয়। ইপিনে, এটি কলি দুটি পাত আঁচনি ৰূপায়ণৰ বাবে ৩৪২ কোটি টকাৰ বিত্তীয় আৱণ্টনটো মন্ত্ৰীসভাই অনুমোদন জনায়। এই আঁচনিৰ অধীনত যোগ্য বিবেচিত চাহ বাগিচাৰ প্ৰায় সাত লাখ শ্ৰমিক আৰু কৰ্মচাৰীক পাঁচ হাজাৰ টকাৰ একক কিস্তিত এই ধন বিতৰণ কৰা হ'ব।

০০০০০০০

ৰাজ্যত সংহাৰী ৰূপ ধাৰণ কৰা জাপানীজ এনকেফেলাইটিজৰ প্ৰকোপত এতিয়ালৈ ৩০ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াৰে শিশু-মহিলাসহ ২১ গৰাকীৰ গুৱাহাটী চিকিৎসামহাবিদ্যালয় হাস্পতালত মৃত্যু হৈছে। ইয়াৰ মাজত দৰং আৰু বজালীৰ দুজনকৈ, শোণিতপুৰ, ওদালগুৰি, বঙাইগাঁও, বৰপেটা, ধুবুৰী আৰু নগাঁৱৰ এজনকৈ ৰোগী আছে। হাস্পতাল কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি এক এপ্ৰিলৰ পৰা এতিয়ালৈ ৭০ জন লোক হাস্পতালখনত ভৰ্তি হৈছে আৰু বৰ্তমানেও ২৯ জন সক্ৰিয় ৰোগী চিকিৎসাধীন হৈ আছে। গোলাঘাট, ধেমাজি, শোণিতপুৰৰ উপৰি নলবাৰী, দৰং, কামৰূপ আদি জিলাতো গুৰুতৰ ৰূপ ধাৰণ কৰা এই ৰোগৰ আক্ৰান্তৰ সংখ্যা ২৫০ অতিক্ৰম কৰিছে। পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ লগতে হোজাই জিলাতো জাপানীজ এনকেফেলাইটিজৰ প্ৰাদুৰ্ভাৱ দেখা গৈছে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ টিংখাং উন্নয়ন খণ্ডৰ দুই নম্বৰ ৰঙাবননী গাঁৱত ৰাষ্ট্ৰীয় ভোজ্য তেল- তৈল খেজুৰ অভিযানৰ অধীনত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱাই উদ্বোধন কৰা এই কাৰ্যসূচীত প্ৰায় দুবিঘা কৃষিভূমিত তৈল খেজুৰৰ পুলি ৰোপণ কৰা হয়। তৈল খেজুৰ ৰোপণ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন সজাগতা সভাও অনুষ্ঠিত হয়। সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে তৈল খেজুৰৰ খেতি কৰি কিদৰে কৃষকসকল লাভান্বিত হ'ব পাৰিব সেই সন্দৰ্ভত ব্যক্তব্য আগবঢ়ায়। অনুষ্ঠানত জিলা কৃষি বিষয়া অনুপ কুমাৰ পেগুৱে বিকল্প কৃষি হিচাপে তৈল খেজুৰৰ প্ৰয়োজনীয়তা সন্দৰ্ভত মন্তব্য কৰে।

০০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি দুলীয়াজন সম-জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত অসম মালাৰ অধীনত মৰাণ, টিংখং, নাহৰকটীয়া আৰু টেঙাখাটত পথ উন্নীতকৰণৰ সৈতে জড়িত বিভিন্ন বিষয়কলৈ আলোচনা কৰা হয়। অঞ্চলকেইটাত পথ উন্নীতকৰণৰ কামকাজৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সমূহৰ বুজ লোৱাৰ লগতে আয়ুক্তগৰাকীয়ে দুলীয়াজান আৰু টিপলিঙত হৈ থকা অসম মালাৰ নিৰ্মাণ কাৰ্যৰো বুজ লয়। সভাখনত দুলীয়াজান সম-জিলাৰ আয়ুক্ত আৰু অতিৰিক্ত জিলা আয়ুক্তৰ উপৰি কেইবাটাও ৰাজহচক্ৰৰ চক্ৰ বিষয়া তথা লোক নিৰ্মাণ বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০০

হোজাই জিলা আইন সেৱা প্ৰাধিকৰণ আৰু জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বাল্যবিবাহ আৰু মাদক দ্ৰব্য সেৱনৰ বিষয়ত এটা সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। ভালুকমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই সজাগতা কাৰ্যসূচীত জিলা আইন প্ৰাধীকৰণৰ সচিব মেৰলিন হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলক বাল্য বিবাহ আৰু মাদক দ্ৰব্য সেৱনৰ অপকাৰিতাৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক মাদক দ্ৰব্য সেৱনৰ পৰা বিৰত থাকি নিজৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ আহ্বান জনায়।

০০০০০০০

হোজাই জিলাত আজি সামগ্ৰী আৰু সেৱাকৰ আৰু বন বিভাগে যুটীয়া অভিযান চলাই ইছলাম নগৰৰ পৰা বহু পৰিমাণৰ অগৰু কাঠ জব্দ কৰে। জব্দ কৰা অগৰু কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ছয় কোটি টকা বুলি বন বিভাগে প্ৰকাশ কৰিছে। কৰ ফাঁকিৰে গোলাঘাট জিলাৰ নাহৰণিৰ পৰা হোজাইৰ ইছলাম নগৰলৈ এই অগৰু কাঠখিনি অনা হৈছিল বুলি আমাৰ হোজাই জিলাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

অসম আৰ্চাৰী একাডেমী ডিব্ৰুগড়ৰ উদ্যোগত আৰু অসম আৰ্চাৰী সন্থা, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থা তথা ডিব্ৰুগড় ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ সহযোগত উজনি অসমত প্ৰথমবাৰলৈ আৰ্চাৰী খেলৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। মণিপুৰৰ প্ৰশিক্ষক ছানাটোম্বা সিঙে প্ৰশিক্ষণ দি থকা আৰু শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশ লোৱা এই শিবিৰ ৩০ জুলাইলৈ চলিব। কালি প্ৰশিক্ষণৰ অষ্টম দিনটোত প্ৰশিক্ষকগৰাকীয়ে প্ৰশিক্ষাৰ্থী তথা অভিভাৱকসকলৰ সৈতে এখন সৌহাৰ্দ্যপূৰ্ণ সভাত অংশগ্ৰহণ কৰে।

০০০০০০০

**সমাপ্ত**